# মৈৰবিলৰ লোককথা

বহু বছৰ আগৰ কথা বুঢ়ীদিহিং নদীৰ পাৰত মহমাৰী নামৰ ঠাইখনত শ্ৰী শ্ৰী ৰাম নামৰ এজন গোসাঁই বাস কৰিছিল। গোসাঁইৰ দ্বীতি নামৰ এগৰাকী কন্যা আছিল। ডাঙৰ হোৱাৰ লগে-লগে তাই উৎপতীয়া হৈ পৰে, যাৰ ফলত তাইৰ মাকে এদিন খঙতে তাইক জলদেৱতালৈ বিয়া দি দিম বুলি কৈ পেলাইছিল। দ্বীতি লাহে-লাহে ডাঙৰ হৈ এক অতুলনীয় সৌন্দৰ্যৰ গৰাকী হৈ পৰিল। তেনেতে এদিন দ্বীতিৰ মাকৰ সপোনত জলদেৱতাই দেখা দিলে আৰু লগতে তেওঁৰ জীয়েকক তেওঁৰ লগত বিয়া দিবলৈ বুলি অনুৰোধ কৰিলে। পিছদিনা মাকে গাঁৱৰ সকলো মানুহকে সপোনৰ কথা ক'লে যদিও সকলোৱে তাক আওকাণ কৰিলে।



পিছদিনা ৰাতি দেউতাক অৰ্থাৎ গোসাঁয়েও একেটা সপোন দেখে যদিও তেওঁ সপোনটোৰ অতি গুৰুত্ব নিদিলে। জনশ্ৰুতি মতে, ইয়াৰ ফলত জলদেৱতাৰ কোপদৃষ্টিৰ বাবে গোটেই অঞ্চলটো এক ভয়ানক বানৰ কবলত পৰে। বানৰ বিভীষিকাত সকলো হেৰুৱাই শেষত গোসাঁয়ে মহমাৰী এৰি তেওঁৰ পৰিয়ালৰ সৈতে নতুন ঠাইলৈ গুচি যায় আৰু তাতেই তেওঁ এখন সত্ৰ প্ৰতিষ্ঠা কৰে।



সময়বোৰ পাৰ হৈ যাবলৈ ধৰিলে কিন্তু এই নতুন ঠাইখনতো দ্বীতিৰ মাক-দেউতাকে একেটা সপোন দেখা পাবলৈ ধৰিলে; কিন্তু প্ৰতিবাৰেই তেওঁলোকে জলদেৱতাৰ অনুৰোধ প্ৰত্যাখ্যান কৰি গ'লে। ফলত জলদেৱতাই তেওঁলোকৰ ওপৰত পুনৰ এবাৰ প্ৰতিশোধ লোৱাৰ উদ্দেশ্যে বানেৰে সকলো বুৰাই পেলালে।

শেষত, উপায়হীন হৈ এই বান হোৱা কেইদিনমান পিছত শ্ৰী শ্ৰী ৰাম গোসাঁয়ে নিজৰ জীয়েকক জলদেৱতাৰ লগত বিয়া দিবলৈ বাধ্য হ'ল। জলকোঁৱৰৰ ইচ্ছামতে সত্ৰাধিকাৰজনে বিবাহৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা কৰিব ধৰিলে আৰু নিজৰ একমাত্ৰ কন্যাক ন-কইনা ৰূপত সজাই জলদেৱতালৈ আগবঢ়াই দিলে। চকুৰ পলকতে গোসাঁইৰ ছোৱালীজনী নেদেখা হৈ গ'ল অৰ্থাৎ পানীত লীন হৈ গ'ল আৰু

মাংগল উৰুলিৰ শব্দৰে গোটেই পাতঁশাল ৰজনজনাই গ'ল ।



(কথিত আছে সেই সময়ত জলদেৱতা গোসাঁইৰ জীয়েকক বিয়া কৰাই নিবলৈ আহোঁতে মণি-মুকুতা, সোণৰ মুদ্ৰাসহ এখন সোণৰ নাৱত উঠি আহিছিল । অঞ্চলটোৰ ৰাইজৰ মাজত প্ৰচলিত আছে যে, যেতিয়া স্থানীয় খেতিয়কসকলে পথাৰত হাল বাইছিল তেতিয়া বহু খেতিয়কে জলদেৱতাই অনা সোণৰ মুদ্ৰা উদ্ধাৰ কৰিছিল ।)

এই বিবাহৰ পিছত শ্ৰী শ্ৰী ৰাম গোসাঁয়ে সেই জলদেৱতাক তেওঁলোকক ৰক্ষা কৰিবলৈ প্ৰাৰ্থনা কৰাত তেওঁলোকে বসবাস কৰা অঞ্চলটোৰ পশ্চিম দিশত অৰ্দ্ধকুৰা বাম ঠাইৰ সৃষ্টি হয় লগতে এটি দাৰু পথাৰো সৃষ্টি হ'ল ।

বিবাহৰ পিছত গোসাঁইৰ জীয়েক দুবাৰকৈ মাকলৈ আহিছিল যদিও জোঁৱায়েকক কোনেও দেখা নাপালে । এদিন গোসাঁয়নীয়ে নিজৰ জোঁৱাই জলকোঁৱৰক দেখা কৰাৰ ইচ্ছা প্ৰকাশ কৰিলে আৰু জীয়েকক ক'লে । জীয়েকে মাকৰ ইচ্ছা জলদেৱতালৈ প্ৰেৰণ কৰে । জলদেৱতাই কয় - 'যদি তোমাৰ মায়ে মোৰ মুখখন এবাৰ দেখে, তেন্তে আৰু দেখা নাপাই, তুমিও তোমাৰ মা-দেউতাৰ লগত সম্পৰ্ক ৰাখিব নোৱাৰিবা । সকলো জলকোঁৱৰৰ সেই কথাত মান্তি হ'ল । এদিন

গোসাঁয়নীয়ে নামঘৰত ভোগৰত পাঠ চলি থকা অৱস্থাত গণেশ সদৃশ হাতী- মূৰৰ মানুহ এজনক দেখিলে। গোসাঁয়নীয়ে মানুহজন দেখি থতমত খাই চিঞৰি উঠিল। কাষৰ মানুহবোৰে তাইৰ চিঞৰ শুনিলে কিন্তু সেই হাতী সদৃশ ব্যক্তিজনক অইন কোনেও দেখা নাপালে। তেতিয়াৰ পৰা তেওঁৰ কন্যা আৰু জলকোঁৱৰ লগলৈ নহা হ'ল।

এই ঘটনাৰ পাছত সত্ৰখনৰ আগুৰি থকা ঠাইখন এটা বৃহৎ জলভাগলৈ পৰিৱৰ্তন হ'ল যি 'মেৰবিল' নামেৰে জনাজাত হ'ল আৰু গাওঁখন 'মেৰাবিল ভুমিক' নামে পৰিচিত হ'ল।

আধুনিক কালতো অসমৰ মানুহে মেৰবিলক "জলদেৱতাৰ বাসস্থান' বুলি গণ্য কৰে। জন প্ৰবাদ অনুসৰি বহুতে এই বিলখনক 'কালিকা লগা' বিল বুলি কয়। বৰ্তমান ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াৰ চাচনী নামেৰে ঠাইত এই 'মেৰবিল' খন অৱস্থিত।



